**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 23**-04-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰপতি ভৱনত পৰম্পৰাগত শিল্পকলাৰ এদল শিল্পীক সাক্ষাৎ কৰি তেওঁলোকৰ শিল্পকৰ্মৰ প্ৰশংসা কৰে।

২। পশ্চিমবংগ বিধানসভাৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ আজি অনুষ্ঠিত হয়। প্ৰথম পৰ্যায়ত ১৬ খন জিলাৰ ১৫২ টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হৈছে।

৩। মহাৰাষ্ট্ৰৰ বাৰামতি আৰু ৰাহুৰি বিধানসভা সমষ্টিৰ বাবে অনুষ্ঠিত উপ-নিৰ্বাচনত বিয়লি পাঁচ বজালৈ ক্ৰমে ৫২ দশমিক ৪-৪ শতাংশ আৰু ৫০ দশমিক ৬-৮ শতাংশ হৈছে।

৪। উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই ভাৰ্চুৱেল ব্যৱস্থাৰে অষ্টলক্ষ্মী দৰ্শন যুৱ বিনিময় কাৰ্যসূচীৰ শিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাই ইণ্ডিয়ানছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰপতি ভৱনত পৰম্পৰাগত শিল্পৰূপৰ এদল শিল্পীক সাক্ষাৎ কৰি তেওঁলোকৰ শিল্পকৰ্মৰ প্ৰশংসা কৰে । ৰাষ্ট্ৰপতি ভৱনৰ আৰ্টিষ্ট-ইন-ৰেচিডেন্স কাৰ্যসূচীৰ অধীনত তেৰজন শিল্পীয়ে বাহৰ পাতি কাৱি, নিৰ্মল, মাতা নি পাচেদী আৰু গণ্ড আদি বিভিন্ন শিল্পকলাৰ কামত নিয়োজিত হৈছে।

উল্লেখযোগ্য যে ভাৰতৰ কলাত্মক পৰম্পৰাৰ মনোভাৱৰ উদযাপন তথা সাংস্কৃতিক পৰিচয় সংৰক্ষণ আৰু ভৱিষ্যত প্ৰজন্মক অনুপ্ৰাণিত কৰাৰ বাবে আৰ্টিষ্ট-ইন-ৰেচিডেন্স কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০

পশ্চিমবংগ বিধানসভাৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ আজি অনুষ্ঠিত হয়। প্ৰথম পৰ্যায়ত ১৬ খন জিলাৰ ১৫২ টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হৈছে। জিলাসমূহ হৈছে— দাৰ্জিলিং, কালিম্পং, জলপাইগুৰি, আলিপুৰদুৱাৰ, কোচবিহাৰ, উত্তৰ আৰু দক্ষিণ ডিনাজপুৰ, মালডা, মুৰ্শ্বিদাবাদ, বীৰভুম, পশ্চিম বৰ্ধমান, পুৰুলীয়া, বাঁকুড়া, ঝাৰগ্ৰাম, পশ্চিম মেদিনীপুৰ আৰু পূব মেদিনীপুৰ। এই পৰ্যায়ৰ নিৰ্বাচনত এহেজাৰ ৪৭৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ১৫২টা সমষ্টিত ৪৪ হাজাৰ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰে ৭ হাজাৰ ৩৮৪ অতি স্পৰ্শকাতৰ নাইবা জটিল বুলি চিনাক্ত কৰা হৈছে। ভোট কেন্দ্ৰসমূহৰ

ভিতৰত ৫ হাজাৰ ৪৪৪টা ভোটকেন্দ্ৰ মহিলাই পৰিচালনা কৰিছে। ৰাজ্যখনত ৩ কোটি ৬০ লাখৰো অধিক ভোটদাতাই আজি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিছে।

নিৰ্বাচন আয়োগে এই ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ পৰিচালনাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ দুহেজাৰ ৪০৭টা কোম্পানীৰ ২ লাখ ৪০ হাজাৰৰো অধিক জোৱান নিয়োগ কৰে। তদুপৰি দ্ৰুত সঁহাৰি দলো ভোটকেন্দ্ৰসমূহত নিয়োগ কৰা হৈছে।

নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ৰাজ্যখনত বিয়লি ৫ বজালৈ ৯০ শতাংশ ভোটগ্ৰহণ হোৱাৰ লগতে দক্ষিণ দিনাজপুৰত ৯৩ দশমিক ১-২ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিছে।

০০০০

মহাৰাষ্ট্ৰৰ বাৰামতি আৰু ৰাহুৰি বিধানসভা সমষ্টিৰ বাবে অনুষ্ঠিত উপ-নিৰ্বাচনৰ আজি ভোটগ্ৰহণ হয়। বিয়লি পাঁচ বজালৈ বাৰামতি সমষ্টিত ভোটগ্ৰহণৰ হাৰ ৫২ দশমিক ৪-৪ শতাংশ আৰু ৰাহুৰিত ৫০ দশমিক ৬-৮ শতাংশ হোৱা বুলি জানিব পৰা গৈছে।

পুনে জিলাৰ বাৰামতি সমষ্টিত ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী তথা নেচনেলিষ্ট কংগ্ৰেছ দলৰ পৰা বিজয়ী হোৱা অজিত পাৱাৰৰ যোৱা ২৮ জানুৱাৰীত বিমান দুৰ্ঘটনাত মৃত্যু ঘটাত সমষ্টিটোত উপ-নিৰ্বাচন অনুষ্ঠিত কৰিবলগীয়া হয়। প্ৰয়াত পাৱাৰৰ পত্নী তথা মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী সুনেত্ৰা পাৱাৰে এই আসনখনৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই আসনখনৰ বাবে অন্যান্য ২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

একেদৰে অহল্যা নগৰ জিলাৰ ৰাহুৰি সমষ্টিৰ পৰা বিজয়ী হোৱা বিজেপিৰ বিধায়ক শিৱাজী কাৰ্ডিলেৰ যোৱা বৰ্ষৰ অক্টোবৰত মৃত্যু হোৱাত এই আসনখন খালী হৈ আছিল। প্ৰয়াত কাৰ্ডিলেৰ পুত্ৰ অক্ষয় কাৰ্ডিলে এই আসনখনৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই একেটা সমষ্টিৰ বাবে এন চি পিৰ গোবিন্দ মোকাটে আৰু বঞ্চিত বহুজন অঘাড়ী দলৰ সন্তোষ চকেও প্ৰাৰ্থীত্ব আগবঢ়াইছে।

দুয়োটা সমষ্টিৰ ভোটগণনা অহা ৪ মে'ত অনুষ্ঠিত হ'ব।

০০০০

তামিলনাড়ু বিধানসভাৰ ২৩৪ খন আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হয়। ৰাজ্যখনৰ ৫ কোটি ৭৩ লাখৰো অধিক ভোটদাতাই এইবাৰ ৪ হাজাৰ ২৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ৰাজ্যখনত বিয়লি ৫ বজালৈ ৮২ দশমিক ২ - ৪ শতাংশ ভোটদান হৈছে।

ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়া অৰ্চনা পাটনায়েকে প্ৰকাশ কৰা মতে ভোটগ্ৰহণ শান্তিপূৰ্ণ, সুশৃংখল আৰু নিয়াৰিকৈ পৰিচালনাৰ বাবে নিৰ্বাচন আয়োগে ৰাজ্যখনত ৭৫ হাজাৰৰো অধিক ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰে। ভোটগ্ৰহণৰ সময়ছোৱাত ৰাজ্যখনৰ সুৰক্ষা ব্যৱস্থাত কমেও ৮৪ হাজাৰ আৰক্ষীৰ লোক নিয়োগ কৰাৰ লগতে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু চি আৰ পি এফৰ ৩০০টা কোম্পানী নিয়োগ কৰা হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০

উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি ভাৰ্চুৱেল ব্যৱস্থাৰে অষ্টলক্ষ্মী দৰ্শন যুৱ বিনিময় কাৰ্যসূচীৰ শিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰে। অসমৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটী, অসম বিশ্ববিদ্যালয় আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে ১৫ মাৰ্চৰ পৰা এই বিনিময় কাৰ্যসূচীত অংশগ্ৰহণ কৰে। কথোপকথন কাৰ্যসূচীত ভাগ লোৱা শিক্ষাৰ্থীসকলক শ্ৰীসিন্ধিয়াই নিজ নিজ ৰাজ্যত উত্তৰ পূৰ্বাঞ্চলৰ দূত হিচাপে কাম কৰিবলৈ উৎসাহিত কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ৰাষ্ট্ৰীয় একতাৰ এনাজৰী সুদৃঢ় কৰা, পাৰস্পৰিক সন্মান বৃদ্ধি আৰু দেশৰ যুৱ প্ৰজন্মৰ মাজত উমৈহতীয়া দায়িত্বৰ মনোভাৱ গঢ়ি তোলাৰ ক্ষেত্ৰত এনে কাৰ্যসূচীৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। উত্তৰ পূৰ্বাঞ্চলৰ সংস্কৃতি, জনসাধাৰণ আৰু পৰম্পৰাৰ অভিজ্ঞতা প্ৰদান কৰি শিক্ষাৰ্থীসকলক ৰাষ্ট্ৰীয় একতা আৰু সংহতিৰ দূত ৰূপে গঢ়ি তোলাই অষ্টলক্ষ্মী দৰ্শন যুৱ বিনিময় কাৰ্যসূচীৰ মূল উদ্দেশ্য বুলি তেওঁ উল্লেখ কৰে। আবেগিক সংহতি আৰু জনসাধাৰণ মাজত সম্পৰ্ক সুদৃঢ় কৰাৰ লগতে উমৈহতীয়া দায়িত্বৰ মনোভাৱ গঢ়ি তোলাৰ লক্ষ্যৰে উত্তৰ-পূব পৰিষদে এই কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে।

০০০০

অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডুৰ অধ্যক্ষতাত নতুন দিল্লীত আজি এখন পৰ্যালোচনা বৈঠকত দেশজুৰি চলি থকা বিমানবন্দৰ প্ৰকল্পসমূহৰ অগ্ৰগতিৰ মূল্যায়ন কৰা হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰতিটো প্ৰকল্পৰ কাম সময়মতে সম্পূৰ্ণ হোৱাটো নিশ্চিত কৰিবলৈ ডিজিটেল, ৰিয়েল টাইম ট্ৰেকিং ব্যৱস্থাৰ জৰিয়তে তীক্ষ্ণভাৱে নিৰীক্ষণ কৰা হৈছে। নাইডুৱে কয় যে দূৰৱৰ্তী আৰু প্ৰত্যাহ্বানমূলক ভূ-প্ৰকৃতিৰ মাজেৰে বিমানবন্দৰ উন্নয়ন প্ৰকল্পসমূহ আঞ্চলিক সংযোগ শক্তিশালী কৰাৰ বাবে আৰু আঞ্চলিক অৰ্থনৈতিক সুযোগসমূহক আগুৱাই নিয়াৰ বাবে এটা জটিল আন্তঃগাঁথনি। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতীয় বিমানবন্দৰসমূহে প্ৰযুক্তি আৰু বহনক্ষমতাক একত্ৰিত কৰি অভিযান্ত্ৰিক উৎকৰ্ষতাৰ মাপকাঠী হিচাপে আত্মপ্ৰকাশ কৰিছে।

০০০০

সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ে চণ্ডিগড়ত কাইলৈৰ পৰা তিনি দিনীয়া কাৰ্যসূচীৰে অন্তোদয়াৰ সংকল্প, অমৃত কালৰ প্ৰতিবিম্ব- বিকশিত ভাৰত ২০৪৭ বিষয়ক চিন্তন শিবিৰৰ আয়োজন কৰিছে। এই চিন্তন শিবিৰৰ মূল লক্ষ্য হৈছে সামাজিক ন্যায়ৰ পদক্ষেপসমূহ শক্তিশালী কৰা, মূল আঁচনিসমূহৰ ৰূপায়ণ উন্নত কৰা আৰু প্ৰান্তীয় সম্প্ৰদায়সমূহৰ অন্তৰ্ভুক্তি আৰু বহনক্ষম উন্নয়নৰ বাবে এখন কাৰ্যকৰী ৰোড মেপ প্ৰস্তুত কৰা। মন্ত্ৰালয়ে কয়, যে এই বিষয়বস্তুৱে অমৃতকালৰ দৃষ্টিভংগীৰ সৈতে সামঞ্জস্যপূৰ্ণভাৱে সৰ্বাংগীন সৱলীকৰণৰ প্ৰতি থকা দায়বদ্ধতা কাৰ্যক্ষম কৰি তুলিছিল। উল্লেখযোগ্য যে, কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰী ড০ বিৰেন্দ্ৰ কুমাৰ আৰু কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামদাস আথাৱলে এই শিবিৰৰ সভাপতিত্ব কৰিব। এই শিবিৰে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ মাজত সমন্বয় শক্তিশালী কৰাৰ ক্ষেত্ৰত এখন শক্তিশালী মঞ্চ হিচাপে ভূমিকা পালন কৰিব।

০০০০

কেন্দ্ৰীয় স্বাস্থ্য সচিব পূৰ্ণ শলিলা শ্ৰীবাস্তৱে আজি ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সচিবসকলৰ সৈতে ভাৰ্চুৱেল মাধ্যমেৰে ৰাষ্ট্ৰীয় স্বাস্থ্য খণ্ডৰ অগ্ৰাধিকাৰ বিষয়ক এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত টিবি মুক্ত ভাৰত আৰু বহনক্ষম উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ লগতে দেশজুৰি গ্ৰহণ কৰা মুখ্য স্বাস্থ্য কাৰ্যসূচীসমূহৰ অগ্ৰগতি সন্দৰ্ভত আলোকপাত কৰে। প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযান, চিকিৎসালয় আৰু নাৰ্চিং শিক্ষাৰ প্ৰসাৰন সামৰ্থ, আয়ুষ্মান ভাৰত ডিজিটেল অভিযানৰ জৰিয়তে ডিজিটেল স্বাস্থ্য ব্যৱস্থাৰ সম্প্ৰসাৰণ আৰু প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০

পশ্চিম এছিয়াত সংঘৰ্ষৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ ফলত নাগৰিকসকল যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয় সেয়া সুনিশ্চিত কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ। নতুন দিল্লীত আজি এখন আন্তঃমন্ত্ৰালয় পৰ্যায়ৰ সংবাদ মেলত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ সচিব সুজাতা শৰ্মাই কয় যে সমগ্ৰ দেশত ঘৰুৱা ৰন্ধন গেছৰ যোগান স্বাভাৱিক হৈ আছে আৰু কালি প্ৰায় ১২ লাখৰো অধিক চিলিণ্ডাৰ বিতৰণ কৰা হয়। ডি এ চি নম্বৰ ব্যৱহাৰ কৰি প্ৰায় ৯৪ শতাংশ চিলিণ্ডাৰ বিতৰণ কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

শ্ৰীমতী শৰ্মাই কয় যে বাণিজ্যিক ৰন্ধন গেছৰ যোগান সংঘৰ্ষৰ পূৰ্বৰ ৭০ শতাংশলৈ ঘূৰাই অনা হৈছে আৰু এপ্ৰিলত বৰ্তমানলৈকে ১ লাখ ৪০ টনৰো অধিক বাণিজ্যিক ৰন্ধন গেছ বিক্ৰী কৰা হৈছে।

বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব মুকেশ মংগলে যোৱা ২৪ ঘণ্টাত বিদেশী জাহাজক লক্ষ্য কৰি গুলীবৰ্ষণৰ ঘটনা সংঘটিত হোৱা নাই বুলি সংবাদমেলত প্ৰকাশ কৰে। তেওঁ লগতে উপসাগৰীয় অঞ্চলেৰে যাত্ৰা কৰা ভাৰতীয় নাবিকসকল নিৰাপদে আছে বুলি মন্তব্য কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ